
2021-2022

Articles Published in Books

1. Dr. Chewari Sarma

Chah Janagosthiya Sanskritik Porikromat Naba Baishnav Dharmar Probhav



EEKSHA : A collection of bilingual research based articles on diverse topics edited by Mr. Yugal Jyoti Borah, Assistant Professor of English and Dr. Chewari Sarma, Assistant Professor of Assamese, Marangi Mahabidyalaya, published by Jonak Printers on behalf of Teachers' Unit, Marangi Mahabidyalaya, Golaghat, Assam.

*First Edition : December, 2021* *Price: Two Hundred and Fifty Only*

© *Teachers' Unit, Marangi Mahabidyalaya*

**Editorial Board**

| | |
|---|---|
| **Advisers** | Dr. Mamoni Mahanta |
| | Mrs. Dipty Tamuly |
| **Editors** | Mr. Yugal Jyoti Borah |
| | Dr. Chewari Sarma |
| **Members** | Mrs. Himalata Boruah |
| | Mrs. Pallabi Saikia |
| | Mrs. Gitanjali Bharali |
| | Mr. Jayanta Borah |
| | Dr. Kakali Borah |

**Publisher** Jonak Printers, Merapani, Golaghat Assam on behalf of Teachers' Unit, Marangi Mahabidyalaya

ISBN 978-81-951019-7-9

Cover Design : Monjit Rajkhowa

Printed at : Universal Printing Press, Ganeshguri, Guwahati-6

22/10/22
PRINCIPAL, i/c
...i Mahavidyalaya

Scanned by TapScanner

সূচী

✍ সম্পাদকীয়
✍ ক'ৰোণাকালীন সময়ৰ সৃজনশীল অসমীয়া সাহিত্য
: ড° ৰুবী বৰা /৯
✍ নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰী-চেতনা : ড° প্ৰাপ্তি ঠাকুৰ/২১
✍ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ ৰূপতত্ত্ব ঃএটি চমু আভাস
: ড' ৰশ্মি বুঢ়াগোঁহাই/২৭
✍ চাহ-জনগোষ্ঠীয় সাংস্কৃতিক পৰিক্ৰমাত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ
: ড° ছেৰাৰী শৰ্মা/৩৯
✍ দেৱকান্ত বৰুৱাৰ কবিতাত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেম আৰু বিষাদ : সাগৰ দেখিছা কাব্যৰ এটি চমু অধ্যয়ন : হিমলতা বৰুৱা/৪৮
✍ পাশ্চাত্য সাহিত্যত মহামাৰীৰ চিত্ৰণ : চিত্ৰৰঞ্জন মিলি/৫৬
✍ মিছিং লোকাচাৰত জন্ম আৰু মৃত্যু : বিনোদ কোঁৱৰ/৬৫
✍ ঠেঙাল কছাৰীসকলৰ বিবাহ অনুষ্ঠানঃ এটি চমু অৱলোকন
: নিৰুপমা বড়া/৭২
✍ নামঘোষা : অন্য এক মহৎ গ্ৰন্থ : অঞ্জু বৰা/৮১
✍ নগৰ অঞ্চলৰ বৃদ্ধলোকসকলৰ সমস্যা : এক সামাজিক অৱলোকন
: ত্ৰিবেণী বৰা/৮৭
✍ 21st Century Jobs: A Snapshot : Hiranya K. Nath/94
✍ Electronic Media andTechnologies in ODeL System
: Dr. Shrutidhara Mahanta/100
✍ Need of Value Education in the Light of Gandh's Philosophy : Chumi Bora/112
✍ Kamala Das and Her Feminine Sensibility
: Rekha Moni Kutum/121

Scanned by TapScanner

# চাহ-জনগোষ্ঠীয় সাংস্কৃতিক পৰিক্ৰমাত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ

ড° ছেৰাৰী শৰ্মা

অসমৰ সংস্কৃতি বিভিন্ন নৃ-গোষ্ঠীৰ উত্তৰাধিকাৰী জনগোষ্ঠীসমূহৰ সমন্বিত ৰূপ। উত্তৰ-পূৱ ভাৰতৰ বিস্তৃত ভু-খণ্ড অসমখন ভিন্ন জনগোষ্ঠীৰ লোকৰ বাসোপযোগী হোৱাৰ মূল কাৰণ ইয়াৰ ভৌগোলিক পৰিৱেশ। পাহাৰ আৰু নদীকেন্দ্ৰিক সমতলভূমিৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশে ইয়াৰ বাসিন্দাসকলক জীৱিকা-নিৰ্বাহৰ সুবিধা প্ৰদান কৰিছে। আৰ্যভিন্ন আৰু আৰ্যগোষ্ঠীয় লোকসকলে নিৰ্মাণ কৰা ভেটিতে আক্ৰমণ আৰু যুদ্ধৰ পৰিণতি হিচাপে বৈ যোৱা মোগল-পাঠান, মৈমনসিঙিয়া, চাহ-বাগিচাৰ বনুৱা, বিহাৰী, মাৰোৱাৰী, পাঞ্জাৱীসকলে মিলি অসমত এক বৈচিত্ৰময় সংস্কৃতি গঢ়ি তুলিলে। প্ৰাক্ ঐতিহাসিক কালৰে পৰা সাম্প্ৰতিক কাললৈকে এই ভু-খণ্ডলৈ হোৱা জনপ্ৰৱাহক নগেন শইকীয়াই এঘাৰটা প্ৰৱাহত ভাগ কৰিছে। এই প্ৰৱাহসমূহ হৈছে — অষ্ট্ৰো-এছিয়াটিক বা অষ্ট্ৰোলয়ড গোষ্ঠীৰ প্ৰৱাহ, মংগোলয়ড প্ৰৱাহ, ভাৰতীয় আৰ্যৰ প্ৰৱাহ, ইছলাম ধৰ্মাৱলম্বীসকলৰ প্ৰৱাহ, টাই আহোমসকলৰ প্ৰৱাহ, অন্যান্য টাই-গোষ্ঠীৰ প্ৰৱাহ, ব্ৰিটিছ শাসনকালত বঙালী, মাৰোৱাৰী আদি লোকৰ প্ৰৱাহ, চাহ-বাগিচাৰ শ্ৰমিকৰূপে অনাসকলৰ প্ৰৱাহ, পূৰ্ববংগৰ মুছলমান খেতিয়কৰ প্ৰৱাহ আৰু পূৱ-বংগৰ (বৰ্তমানৰ বাংলাদেশৰ) হিন্দু শৰণাৰ্থীৰ প্ৰৱাহ।[১] কালক্ৰমত এনে গোষ্ঠীসমূহৰ মাজত ভাষিক আৰু সাংস্কৃতিক মিশ্ৰণ ঘটাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া।

প্ৰাচীন কালৰে পৰা সংমিশ্ৰণৰ স্বাক্ষৰ বহন কৰা অসমত ক্ৰমাগতভাৱে শক্তিহীন হৈ অহা পৰম্পৰাগত আহোম ৰাজত্বৰ অৱসান আৰু মানৰ আক্ৰমণৰ তাৎক্ষণিক পৰিণতি স্বৰূপে ব্ৰিটিছৰ আগমন ঘটে। ঔপনিবেশিকতাবাদী শক্তি ব্ৰিটিছে চাহ খেতিৰ জৰিয়তে অসমত বাণিজ্য বিস্তাৰ কৰাৰ প্ৰথমটো পদক্ষেপ হাতত লয়। অৰ্থনৈতিকভাৱে সবল ইংৰাজে অসমৰ চাহ-উদ্যোগ নিয়াৰিকৈ



20/10/22
PRINCIPAL, i/c
...vidyalaya
Scanned by TapScanner

চলাই নিবৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ পৰা শ্ৰমিক সংগ্ৰহ কৰে। অসমলৈ চাহ-জনগোষ্ঠীয় লোকসকল অহাৰ আঁৰত ইংৰাজৰ অভিযন্ধিমূলক আকাংক্ষাহে জড়িত হৈ থকা ইংগিত পোৱা যায়। ১৮৪০ চনৰ পৰা ১৯৫০ চনলৈকে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ পৰা শ্ৰমিক অহা প্ৰক্ৰিয়াটো চলি আছিল।[২] 'আড়কাটীয়া' (অনিচ্ছুক বনুৱাক জোৰ-জবৰদস্তিকৈ ধৰি অনা চুক্তি) আৰু 'গিৰ্মিটীয়া' (পাঁচ বা দহ বছৰ শ্ৰমদানৰ অন্তত সম্পূৰ্ণ সুবিধাসহ নিজৰ ৰাজ্যলৈ পঠোৱা হ'ব বুলি কৰা চুক্তি) মতে অসমৰ নগাঁও, দৰং, শোণিতপুৰ, গোলাঘাট, যোৰহাট আদি জিলাৰ নিৰ্দিষ্ট বাগিচাসমূহত এই চাহ-জনগোষ্ঠীয় লোকসকল স্থায়ী বাসিন্দা হৈ পৰে। এইসকল লোকে পৰম্পৰাগত সংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়াৰ উপৰি অসমৰ থলুৱা সংস্কৃতিৰ লগতো এক আন্তৰিক সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়াস কৰে। এনে প্ৰয়াসৰ ফলতে থলুৱা লোকসকলৰ লগত চাহ-জনগোষ্ঠীয় লোকৰ ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত আদান-প্ৰদান ঘটে। এনে চিন্তাৰ ফচলৰূপে চাহ-জনগোষ্ঠীয় লোকসকল নৱ-বৈষ্ণৱ ধৰ্মৰ সামগ্ৰিক প্ৰভাৱৰ সংস্পৰ্শলৈ আহিবলৈ সুবিধা লাভ কৰে। চাহ-জনগোষ্ঠীয় লোকৰ বহুৰঙী সাংস্কৃতিক অভিজ্ঞতাৰ প্ৰেক্ষাপটত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ এক বিষয় এই আলোচনাত বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

চাহ-বাগিচাৰ নিৰ্দিষ্ট বেষ্টনীত বাস কৰা চাহ-জনগোষ্ঠীয় লোকসকল ধৰ্ম পালনক জীৱনৰ আধাৰৰূপে গ্ৰহণ কৰিছে। শংকৰদেৱৰ মৌলিক চিন্তাৰ প্ৰভাৱৰ ফলস্বৰূপে নামঘৰ কেন্দ্ৰিক যি ভক্তিধৰ্মৰ প্ৰসাৰ হয় তাৰ প্ৰভাৱ চাহ-জনগোষ্ঠীয় সমাজতো পৰিলক্ষিত হয়। চাহ-বাগিচাত বাস কৰা নিৰ্দিষ্ট জনগোষ্ঠীয় লোকৰ জীৱনশৈলীত ধৰ্মীয় চিন্তা-চৰ্চাৰ যি ব্যৱস্থা তাৰ পৰিপ্ৰেক্ষিতত বৈষ্ণৱ ধৰ্মৰ অৱস্থিতিক এই আলোচনাৰ মূল লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছে। শ্ৰমনিৰ্ভৰ জীৱন-নিৰ্বাহত অভ্যস্ত চাহ-জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক জীৱনত উদাৰ মানৱীয় দৃষ্টি সম্বলিত বৈষ্ণৱ ধৰ্মৰ গুৰুত্ব লক্ষ্যণীয়। সাংস্কৃতিক সমাহৰণৰ ফলত অসমীয়া সংস্কৃতিৰ লগত চাহ-জনগোষ্ঠীয় বহু দিশৰ সংমিশ্ৰণ ঘটিছে। এনে পৰ্যায়ত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে চাহ-জনগোষ্ঠীয় সমাজক এক যোগাত্মক বিশেষত্ব প্ৰদান কৰিছে। ইয়াৰোপৰি ভক্তি ধৰ্মৰ সৰল পদ্ধতিয়ে অসমীয়া সামাজিক চেতনাক প্ৰভাৱিত কৰাৰ দৰে চাহ-জনগোষ্ঠীয় সকলো আকৰ্ষিত কৰিছে। লক্ষণীয়ভাৱে এই গোষ্ঠীটোৱে সহজতে সাংস্কৃতিক পৰিবৰ্তনৰ এক সমলৰূপে নৱ-বৈষ্ণৱ ধৰ্ম জড়িত দিশবিলাক গ্ৰহণ কৰা পৰিলক্ষিত হয় । শ্ৰমসৰ্বস্ব চাহ-বাগিচা কেন্দ্ৰিক সভ্যতাৰ অভ্যস্ত লোকসকলৰ অনুকৰণ প্ৰিয় মনোভাৱ আৰু পৰম্পৰাধৰ্মী অন্ধবিশ্বাসৰ প্ৰতি আসক্তি এইক্ষেত্ৰত পৰিপন্থী হৈ ধৰা দিয়া আদি বিষযসমূহৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি এই আলোচনা আগবঢ়োৱা হৈছে।

*চাহ-জনগোষ্ঠীয়সকলৰ সংস্কৃতি ঃ*

অসমৰ চাহ-বাগানত শ্ৰমদান দিবলৈ অহা বিভিন্ন নৃ-গোষ্ঠীৰ লোকসকল বিভিন্ন ভৌগোলিক পৰিমণ্ডলৰ পৰা অহা বাবে বিভিন্নতাও আছে। অসমলৈ আহি এক সংকীৰ্ণ পৰিৱেশত বাস কৰি এটা শ্ৰমনিৰ্ভৰ জাতিলৈ পৰিৱৰ্তিত হয়। তথাপি অৱসৰ যাপনৰ সময়ত লোকসংস্কৃতি সম্পৰ্কীয় চিন্তা-সেই শক্তিশালীৰূপত প্ৰকাশ লাভ কৰে। বিভিন্ন জাতিৰ সংমিশ্ৰণ হোৱা বাবে লোকাচাৰ, লোকসাহিত্য আৰু পৰম্পৰাগত ৰীতি-নীতিৰ ক্ষেত্ৰত বিচিত্ৰ অভিজ্ঞতাৰ সমাহাৰ দেখা যায়। অসমৰ পৰিৱেশত এইসকলৰ সংস্কৃতিয়ে এক নতুন ৰূপ পৰিগ্ৰহণ কৰে। কাৰণ মানৱ সমাজৰ মাজত সংস্কৃতি ক্ৰিয়াশীল ৰূপত বৰ্তি থাকে। এই সম্পৰ্কত নবীন চন্দ্ৰ শৰ্মাৰ মন্তব্য প্ৰণিধানযোগ্য – "মানুহে বংশ পৰম্পৰা সমাজ পাতি বাস কৰিবলৈ লোৱাৰ ফলস্বৰূপে সামাজিক প্ৰাণী হিচাপে তেওঁলোকে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অৰ্ধম, পৰম্পৰা আদি প্ৰকৃতিগতভাৱে শিকে। এই ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপক সংস্কৃতি বুলিব পাৰি।"[৩]


চাহ-জনগোষ্ঠীয় লোকসকলেও সামাজিক ক্ষেত্ৰত অতি দৃঢ়তাৰে পৰম্পৰাসমূহ পালন কৰে। লোকবিশ্বাসসমূহেও এইসকল লোকৰ দৈনন্দিন জীৱনত এক বিশেষ ভূমিকা গ্ৰহণ



Scanned by TapScanner

*Book Published as Editor*

2.Dr. Chewari Sarma
Eeksha



EEKSHA : A collection of bilingual research based articles on diverse topics edited by Mr. Yugal Jyoti Borah, Assistant Professor of English and Dr. Chewari Sarma, Assistant Professor of Assamese, Marangi Mahabidyalaya, published by Jonak Printers on behalf of Teachers' Unit, Marangi Mahabidyalaya, Golaghat, Assam.

*First Edition : December, 2021* *Price: Two Hundred and Fifty Only*

© *Teachers' Unit, Marangi Mahabidyalaya*

**Editorial Board**

**Advisers** Dr. Mamoni Mahanta
Mrs. Dipty Tamuly

**Editors** Mr. Yugal Jyoti Borah
Dr. Chewari Sarma

**Members** Mrs. Himalata Boruah
Mrs. Pallabi Saikia
Mrs. Gitanjali Bharali
Mr. Jayanta Borah
Dr. Kakali Borah

**Publisher** Jonak Printers, Merapani, Golaghat Assam
on behalf of Teachers' Unit,
Marangi Mahabidyalaya

ISBN 978-81-951019-7-9

Cover Design : Monjit Rajkhowa

Printed at : Universal Printing Press, Ganeshguri, Guwahati-6

Scanned by TapScanner